**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 22-01-2026

**Time :** 1800 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

০০০০০

১। ছুইজাৰলেণ্ডৰ ডাভ’ছত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনৰ আজি চতুৰ্থ দিনা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ স্বাস্থ্য আৰু স্বাস্থ্য সেৱা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা পাঁচজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আজি শুনানি গ্ৰহণ।

৩। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰ শিলচৰত **ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ তিনিটা ভাষা নীতি** সম্পৰ্কীয় বক্তৃতানুষ্ঠানত অংশগ্ৰহণ।

**আৰু**

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ দুখন খেলত আজি পাঞ্জাবৰ বিৰুদ্ধে কেৰালাৰ আৰু ওড়িশাৰ বিৰুদ্ধে মেঘালয়ৰ জয়লাভ।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ছুইজাৰলেণ্ডৰ ডাভ’ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনৰ চতুৰ্থ দিনা স্বাস্থ্য আৰু স্বাস্থ্য সেৱা সম্পৰ্কীয় গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অসমৰ অগ্ৰাধিকাৰৰ বিষয়সমূহক গোলকীয় মঞ্চলৈ লৈ যোৱাৰ উদ্দেশ্যে ৫ খন দ্বিপাক্ষিক বৈঠকত মিলিত হ’ব আৰু বিনিয়োগকাৰী সকলৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে বিশ্বৰ ভালেকেইটা কোম্পানীয়ে অসমৰ বিভিন্ন খণ্ডত বিনিয়োগৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে। বিশ্বৰ বিভিন্ন কোম্পানীয়ে ৰাজ্যখনত প্ৰায় এক লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ দিছে। ভাৰতৰ প্ৰতিনিধি মণ্ডলীৰ সৈতে ডাভ’ছত এই সন্মিলনত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই বিনিয়োগৰ প্ৰস্তাৱৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ জৰিয়তে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল উপকৃত হ’ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে। ইতিমধ্যে এই সন্মিলনত অসমে ১০ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা পাঁচজন অভিযুক্তৰ জামিন আবেদন সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতত শুনানি অনুষ্ঠিত হয়। শুনানিকালত অভিযুক্ত

শ্যামকানু মহন্ত আৰু সন্দীপন গাৰ্গৰ জামিন আবেদন দুখন প্ৰত্যাহাৰ কৰাৰ বাবে অভিযুক্ত দুজনৰ অধিবক্তাই আদালতৰ অনুমতি বিচাৰে। অসম চৰকাৰক প্ৰতিনিধিত্ব কৰা লোক অধিবক্তা জিয়াউল কামাৰে বিষয়টোৰ বিৰোধিতা নকৰাত আদালতে অভিযুক্ত দুজনৰ জামিন আবেদন প্ৰত্যাহাৰ কৰাৰ অনুমতি প্ৰদান কৰে। ইয়াৰ পাছত এই গোচৰৰ আন ৩ জন অভিযুক্ত অমৃত প্ৰভা মহন্ত, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ জামিন আবেদন সন্দৰ্ভত শুনানি অনুষ্ঠিত হয়। শুনানীৰ সময়ত লোক অধিবক্তাই অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতা কৰি আবেদন দাখিল কৰে। একেদৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ হৈ ওকালতি কৰা অধিবক্তাগৰাকীয়েও অভিযুক্ত ৩ জনৰ জামিনৰ বিৰোধিতাৰে আদালতত আবেদন দাখিল কৰে। ন্যায়ালয়ে দুয়োপক্ষৰ যুক্তি তৰ্ক শুনাৰ পাছত অহা ৩০ জানুৱাৰীত অভিযুক্ত ৩ জনৰ জামিন আবেদন সন্দৰ্ভত ৰায় প্ৰদানৰ দিন ধাৰ্য কৰে।

০০০০০

শিলচৰৰ গুৰুচৰণ বিশ্ববিদ্যালয়ত আজি সাংবাদিক, সমাজকৰ্মী ৰবিজিৎ চৌধুৰীৰ সোঁৱৰণত এখন বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। **ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ তিনিটা ভাষা নীতি ঃ পৰৱৰ্তী পদক্ষেপ** শীৰ্ষক বিষয়বস্তুৰে অনুষ্ঠিত এই বক্তৃতা অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক ড০ নিৰঞ্জন ৰায়ে এই বক্তৃতা অনুষ্ঠানৰ সভাপতিত্ব কৰে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিক্ষামন্ত্ৰীগৰাকীয়ে বৰ্তমান শিক্ষা ব্যৱস্থাত দুটা ভাষাৰ নীতিহে থকাৰ কথা উল্লেখ কৰে। বিভিন্ন ভাষা-ভাষীলোকে পৰিপূৰ্ণ দেশত ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কোনো এটা ভাষা জাপি দিয়াৰ নীতি নাই বুলি ড০ পেগুৱে উল্লেখ কৰে।

**বাইট (ডা০ পেগু)**

০০০০০

কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটত বিকশিত ভাৰত জি ৰামজী আইন সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। এই আইনে শ্ৰমিকসকলক পূৰ্বৰ ১০০ দিনৰ পৰিৱৰ্তে ১২৫ দিনৰ নিয়োগ নিশ্চিতি প্ৰদান কৰিব। নতুন আইনখনৰ অধীনত খেতিৰ বতৰত কৃষি কাৰ্য্যকো সাঙুৰি লোৱা হ'ব আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে সমগ্ৰ প্ৰক্ৰিয়াটো অধিক স্বচ্ছ কৰি তোলা হ'ব। ইয়াৰ উপৰি গ্ৰামাঞ্চলৰ দীৰ্ঘকালীন সমৃদ্ধিত সহায় হোৱাকৈ স্থায়ী সম্পদ সৃষ্টিত গুৰুত্ব আৰোপ কৰা হ'ব। জনসাধাৰণৰ প্ৰত্যক্ষ অংশীদাৰিত্ব, স্বচ্ছ প্ৰশাসন ব্যৱস্থা আৰু গ্ৰামাঞ্চলৰ সম্পদ গঢ় দিয়াৰ লক্ষ্যৰে এই আইন ৰূপায়ণ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে আজি এই আইনৰ ৰূপায়ণৰ বিভিন্ন দিশ সম্পৰ্কে সাংবাদিকক অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে আজি যোৰহাট কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকক ভৱিষ্যৎ গঢ়াৰ বাবে আগবাঢ়ি যাবলৈ উৎসাহিত কৰে। এই মত বিনিময় অনুষ্ঠানত জিলা আয়ুক্ত জয় শিৱানী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা উপস্থিত থাকে।

০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ কাৰেং চাপৰিত অহা ২৬ৰ পৰা ৩০ জানুৱাৰীলৈ দশম মিছিং যুৱ মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱৰ বাবে ৬০০ বিঘা ভূমি সামৰি প্ৰস্তুতি প্ৰায় অন্তিম পৰ্য্যায়ত উপনীত হৈছে। মহোৎসৱৰ অন্তিম দিনাৰ কাৰ্য্যসূচীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। এই মহোৎসৱত প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে অংশ ল'ব বুলি

উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। মহোৎসৱৰ সৈতে সংগতি ৰাখি প্ৰদৰ্শনী, থলুৱা খাদ্য মেলা আদি অনুষ্ঠিত হ'ব বুলি এগৰাকী উদ্যোক্তাই জানিবলৈ দিয়ে।

-বাইট-

ooooo

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত অহা ৩০ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। অৱশ্যে এইবাৰ প্ৰতিবছৰে মে-ডাম-মে-ফিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন বাতিল কৰা হৈছে বুলি উদযাপন সমিতিয়ে জনাইছে। ইয়াৰ পৰিৱৰ্তে ১ ফেব্ৰুৱাৰীত শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব বুলি উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

ooooo

অসমত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ পৰা লাভ কৰা ভ্ৰাম্যমান ষ্ট্ৰোক গোটে ষ্ট্ৰোকৰ চিকিৎসা ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিছে। এই উদ্যমৰ ফলত চিকিৎসাৰ সময় ২৪ ঘণ্টাৰ পৰা দুঘণ্টালৈ হ্ৰাস পাইছে আৰু ষ্ট্ৰোকৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এক তৃতীয়াংশ হ্ৰাস পাইছে। একেদৰে ষ্ট্ৰোকত পৰি হোৱা বিকলাংগতা ৮ গুণ হ্ৰাস পাইছে। ভ্ৰাম্যমান ম'বাইল ষ্ট্ৰোক গোটে ৰাজ্যৰ দূৰণিবটীয়া এলেকাৰ ৰোগীসকলক ক্ষিপ্ৰ সাহায্য আৰু চিকিৎসা প্ৰদানৰ পথ প্ৰশস্ত কৰিছে। ভ্ৰাম্যমান ষ্ট্ৰোক গোটসমূহ একপ্ৰকাৰৰ ভ্ৰাম্যমান চিকিৎসালয় আৰু এই চিকিৎসালয় চিটি স্কেনাৰ, বিশেষজ্ঞৰ সৈতে দূৰ-সংযোগ ব্যৱস্থাৰে চিকিৎসা গ্ৰহণৰ সুবিধা, ক্ষুদ্ৰ পৰীক্ষাগাৰ আৰু ৰক্ত নলীকাৰ ব্লকেজ খোলাৰ ঔষধেৰে সু-সজ্জিত। ভ্ৰাম্যমান ষ্ট্ৰোক ইউনিটৰ জৰিয়তে ৰোগীসকলক নিজৰ ঘৰতে বা ওচৰৰ এলেকাত ষ্ট্ৰোকৰ ক্ষিপ্ৰ চিকিৎসা প্ৰদান কৰিব পৰা যায়। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ সঞ্চালক প্ৰধান তথা স্বাস্থ্য গৱেষণা বিভাগৰ সচিব ডাঃ ৰাজীৱ বহলে কয়, যে ভাৰত ষ্ট্ৰোকত আক্ৰান্ত ৰোগীসকলক এনেধৰণৰ চিকিৎসা সুবিধা আগবঢ়োৱা বিশ্বৰ দ্বিতীয়খন দেশ।

ooooo

ডিব্ৰুগড়ৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ মানকটা-টেপৰগাঁৱৰ অংগনবাড়ী কেন্দ্ৰৰ আন্তঃগাঁথনি উন্নীতকৰণ কাৰ্যৰ আজি মন্ত্ৰী প্ৰশান্ত ফুকন্ আধাৰশিলা স্থাপন কৰে। ১ লাখ ৮৯ হাজাৰ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই অংগনবাড়ী কেন্দ্ৰই অঞ্চলটোৰ শিশুসকলক প্ৰাৰম্ভিক শিক্ষা প্ৰদানত সহায় কৰাৰ লগতে মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগাব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooo

জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা ২৪ জানুৱাৰীলৈ  তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হৈছে। আজি পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানেৰে এই মেলা আৰম্ভ হয়। গোভা ৰজা দীপসিং দেওৰজাই বন্তি প্ৰজ্বলনেৰে মেলাৰ শুভাৰম্ভ কৰে। মেলাথলীত আজি সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৱ শৰ্মা আৰু দীপসিং দেওৰজাৰ লগতে মধ্য অসমৰ ২১ গৰাকী তিৱা ৰজাই শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত আজি চিলা পথাৰত অনুষ্ঠিত দুখন খেলৰ এখনত কেৰালা দলে পাঞ্জাৱক ৩-১ গ'লৰ ব্যৱধানত আৰু আনখনত মেঘালয়ে ওড়িশাক ১-০ গ'লত পৰাস্ত কৰে। পাঞ্জাৱ আৰু কেৰালাৰ মাজৰ খেলখনত কেৰালাই প্ৰথমাৰ্ধৰ পৰাই আধিপত্য বিস্তাৰ কৰে আৰু যতীন্দৰ সিং ৰাণাই হেডেৰে দিয়া গ'লৰ সহায়ত ১ গ'লৰ অগ্ৰগতি লাভ কৰে। দ্বিতীয়াৰ্ধত যোৱা বাৰৰ ৰাণাৰ্ছ আপ কেৰালা দলে নিজৰ চন্দ ঘূৰাই পায় আৰু খেলৰ ৫৫ মিনিটত মনোজ এমৰ গ'লেৰে সমতা স্থাপন কৰে। পাছত মহম্মদ আজছলে ৫৮ আৰু ৬২ মিনিটত দুটা গ'ল দি কেৰালাৰ বিজয় নিশ্চিত কৰে। মেঘালয় আৰু ওড়িশাৰ মাজৰ খেলখনত বেবিচান্দে ২৩ মিনিটত দিয়া একমাত্ৰ গ'লেৰে মেঘালয়ে ওড়িশাক পৰাভূত কৰি ৩ পইণ্ট অৰ্জন কৰে।

ইপিনে, ঢকুৱাখনাত ৰে'লৱে আৰু চাৰ্ভিছেছ দলৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ খেলখন ১-১ গ'লত অমীমাংসিত হয়। প্ৰতিযোগিতাত কাইলৈ ঢকুৱাখনাত হ'বলগীয়া এখন খেলত ঘৰুৱা দল অসম নাগালেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন পুৱা ৯ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত